# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

---

**নং ঃ ৫৮৭/২০১৯**

## ৰঙাপৰা সমষ্টিৰ বিধায়ক ৰাজেন বৰঠাকুৰৰ আকস্মিক বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১০ ডিচেম্বৰ ঃ** ৰঙাপৰা সমষ্টিৰ বিধায়ক, বিশিষ্ট ৰাজনীতিবিদ ৰাজেন বৰঠাকুৰৰ আকস্মিক বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক বিবৃতি যোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এগৰাকী জনপ্ৰতিনিধি হিচাপে ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত প্ৰয়াত বৰঠাকুৰে যি অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন নিগমৰ অধ্যক্ষ হিচাপেও বিশেষ দক্ষতা প্ৰদৰ্শন কৰি গৈছে। প্ৰয়াত বৰঠাকুৰে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোত ভাবে জড়িত থাকি সেই অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ উত্তৰণৰ দিশটো সক্ৰিয় ভূমিকা পালন কৰি গৈছে। তেখেতৰ বিয়োগ ৰাজ্যখনৰ ৰাজনৈতিক তথা সামাজিক জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বৰঠাকুৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে বিধায়ক ৰাজেন বৰঠাকুৰৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়েও গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে প্ৰয়াত বৰঠাকুৰে ৰাজ্যখনৰ সমাজ জীৱনলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তেখেতৰ বিয়োগ আমাৰ ৰাজ্যখনৰ ৰাজনৈতিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও কয়।

**বীঃগঃ /পুঃডেঃ /**
**১০/১২/২০১৯**